কেন্দ্রীয় বৈদেশিক পৰিক্রমা আৰু বস্ত্র উদ্যোগ ৰাজ্য মন্ত্রী শ্রী পবিত্র মার্ঘেৰিটাৰ ইণ্ডিপেণ্ডেণ্ট ষ্টেট অব্ চামোৱা, কুক আইলেণ্ডছ আৰু নাউৰু গণৰাজ্য ভ্রমণ (16–22 অক্টোবৰ, 2026)

কেন্দ্রীয় বৈদেশিক পৰিক্রমা আৰু বস্ত্র উদ্যোগ ৰাজ্য মন্ত্রী শ্রী পবিত্র মার্ঘেৰিটাই [এমঅ'এছ (পিএম)] 16–22 অক্টোবৰ 2026 লৈ ইণ্ডিপেণ্ডেণ্ট ষ্টেট অব্ চামোৱা, কুক আইলেণ্ডছ আৰু নাউৰু গণৰাজ্যলৈ এক চৰকাৰী ভ্রমণ কৰিব।

2. এই ভ্রমণৰ সময়ছোৱাত এমঅ'এছ (পিএম)-এ তিনিখন প্রশান্ত মহাসাগৰীয় দ্বীপৰ ঊর্ধতন নেতৃত্বৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হোৱাৰ লগতে অন্যান্য মুখ্য অংশীদাৰ আৰু ভাৰতীয় সম্প্রদায়ৰ সদস্যসকলৰ সৈতে যোগাযোগ স্থাপন কৰাৰ সম্ভাৱনা আছে. তেখেতে এই অঞ্চলত ভাৰতৰ সাহায্যপ্রাপ্ত উন্নয়নমূলক প্রকল্পসমূহো পৰিদর্শন কৰিব।

3. এই ভ্রমণে ফ'ৰাম ফ'ৰ ইণ্ডিয়া-পেচিফিক আইলেণ্ডছ কো-অপাৰেচন (এফআইপিআইচি)-ৰ পৰিকাঠামোৰ অধীনত প্রশান্ত মহাসাগৰীয় দ্বীপৰ দেশসমূহৰ সৈতে অংশীদাৰিত্ব শক্তিশালী কৰাৰ আৰু এই অঞ্চলৰ সৈতে ৰাজনৈতিক যোগাযোগ তথা উন্নয়নমূলক সহযোগিতা অধিক গভীৰ কৰাৰ ভাৰতৰ প্রতিশ্রুতিক প্রতিফলিত কৰে। ই 2023 চনৰ মে' মাহত প'র্ট মর্ছবিত অনুষ্ঠিত 3য় এফআইপিআইচি সন্মিলনৰ অগ্রগতিৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে।

নতুন দিল্লী

অক্টোবৰ 13, 2026